**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 26-12-2025**
**Time :** 21-25  Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত নতুন দিল্লীত আজি অসমৰ ৰাভা, মিছিং আৰু তিৱা জনগোষ্ঠীৰ এটা প্ৰতিনিধি গোটৰ সৈতে বৈঠকত মিলিত হয়। গৃহমন্ত্ৰীগৰাকীয়ে জনগোষ্ঠীকেইটাৰ প্ৰতিনিধিৰ দাবীসমূহ শুনাৰ লগতে প্ৰকৃত সমস্যাসমূহ সমাধানৰ আশ্বাস প্ৰদান কৰে। এই বৈঠকতে গৃহমন্ত্ৰীগৰাকীয়ে জনগোষ্ঠীকেইটাৰ সমস্যা সৌহাদ্যপূৰ্ণ তথা দীৰ্ঘম্যাদিভাৱে সমাধান কৰিবৰ বাবে এগৰাকী জ্যেষ্ঠ বিষয়াক নিয়োগ কৰিব বুলি প্ৰকাশ কৰে। ইফালে এই বৈঠকৰ পাছতে সংগঠনকেইটাই এখন সংবাদমেল সম্বোধন কৰি কয়, যে কেন্দ্ৰীয় গৃহমন্ত্ৰীক কৰা সাক্ষাৎ সৌহাদ্যপূৰ্ণ আছিল। এই সাক্ষাতে জনগোষ্ঠীকেইটাৰ সমস্যাসমূহ সমাধানৰ বাট মুকলি কৰিব বুলি উল্লেখ কৰি কয়, যে কেন্দ্ৰীয় গৃহ বিভাগে মধ্যস্থতাকাৰী নিয়োগৰ বাবে আগবঢ়োৱা প্ৰস্তাৱে সকলোৰে বাবে আশাৰ ৰেঙণি কঢ়িয়াইছে।

0000

ৰাজ্য চৰকাৰে পশ্চিম কাৰ্বি আংলংৰ খেৰণিৰ উচ্ছেদৰ সন্দৰ্ভত ৰুজু হৈ থকা গোচৰটোৰ শীঘ্ৰে ৰায়দানৰ বাবে উচ্চ ন্যায়ালয়ক আহ্বান জনাব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। আজি দিছপুৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাৰ্বি জনগোষ্ঠীৰ কেইবাটাও দল সংগঠনৰ প্ৰতিনিধিৰ সৈতে বৈঠকত অংশ লোৱাৰ অন্তত সংবাদ মাধ্যমৰ আগত এই মন্তব্য কৰে। তেওঁ কয় যে বিষয়টো ন্যায়ালয়ৰ বিচৰাধীন হৈ থকাৰ  বাবে উচ্চেদৰ সন্দৰ্ভত চৰকাৰে কোনো সিদ্ধান্ত লব পৰা নাই। খেৰণিৰ ভিজিআৰ-পিজিআৰ ভূমিত থকা চৰকাৰী কাৰ্যালয়সমূহ স্থানান্তৰ কৰা হব বুলি উল্লেখ কৰি মুখমন্ত্ৰীগৰাকীয়ে কয় যে এই অঞ্চলসমূহ সম্পূৰ্ণৰূপে বেৰা দি বনানীকৰণৰ ব্যৱস্থা কৰা হ'ব। আৰক্ষীৰ গুলিত মৃত্যু হোৱা কাৰ্বি জনগোষ্ঠীৰ পৰিয়ালক ৰাজ্য চৰকাৰে ১০ লাখ টকাৰ ক্ষতিপূৰণ দিব বুলিও মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰে। তেওঁ কয় যে ব্যক্তিগৰাকীৰ পৰিয়ালৰ এজন লোকক পৰিষদে চাকৰি দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে বৈঠকখনত ৰাজহ মন্ত্ৰী কেশৱ মহন্ত, অসম আৰক্ষীৰ কেইবাগৰাকীও উচ্চপদস্থ বিষয়াৰ লগতে কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙেও অংশ লয়।

00000

গুৱাহাটী উকিল সন্থাই প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ হত্যাকাণ্ডৰ ঘটনাৰ বিচাৰ প্ৰক্ৰিয়া ফাষ্টট্ৰেক আদালতৰ জৰিয়তে কৰিবলৈ দাবী জনাইছে। আজি গুৱাহাটী উকিল সন্থাৰ কাৰ্যালয়ত আয়োজিত এখন সংবাদমেল সম্বোধন কৰি সাধাৰণ সম্পাদক অপূৰ্ব শৰ্মাই কয়, যে ফাষ্টট্ৰেকৰ জৰিয়তে প্ৰত্যেক দিনেই গোচৰটোৰ শুনানি গ্ৰহণ কৰিলেহে বিচাৰ প্ৰক্ৰিয়া সোনকালে শেষ হ'ব। এই বিচাৰ প্ৰক্ৰিয়াৰ বাবে এখন বিশেষ সমিতি গঠন কৰিবলৈও সন্থাই দাবী উত্থাপন কৰে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মালৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰা

হৈছে বুলি উল্লেখ কৰি অপূৰ্ব শৰ্মাই কয়, যে গুৱাহাটী উকিল সন্থাই নিজাববীয়াকৈ বিষয়টো নিৰীক্ষণৰ বাবে অধিবক্তাসকলৰ বিশেষ দল গঠন কৰিব। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে গুৱাহাটী উকিল সন্থাই চি জে এম আদালত আৰু গুৱাহাটী উকিল সন্থাৰ স্থানীয় ভৱন স্থানান্তৰকৰণৰ বিৰুদ্ধে অনশন কাৰ্যসূচী ৰূপায়ণ কৰে। এই সন্দৰ্ভত উকিল সন্থাৰ সভাপতি প্ৰদীপ কোৱৰে কয়, যে চি জে এম আদালত আৰু উকিল সন্থাৰ কাৰ্যালয় স্থায়ীভাৱে স্থানান্তৰ কৰাত সন্থাৰ আপত্তি নাই। কিন্তু অস্থায়ীভাৱে এনেদৰে অধিবক্তা সমাজৰ সৈতে আলোচনা নকৰাকৈ স্থানান্তৰ কৰাত সকলোৰে আপত্তি আছে বুলিও সভাপতিগৰাকীয়ে মন্তব্য কৰে।

ooooo

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত গ্ৰন্থমেলাত আজি অসম প্ৰকাশন পৰিষদে ছপা কৰি উলিওৱা **কেশৱ মহন্তৰ ৰচনাৱলী** নামৰ পুথিখন উন্মোচন কৰা হয়। বিশিষ্ট অভিধান প্ৰণেতা, অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ সুমন্ত চলিহাই সম্পাদনা কৰা গ্ৰন্থখন উন্মোচন কৰি বিশিষ্ট সংগীত শিল্পী ৰমেন চৌধুৰীয়ে কয়, যে কেশৱ মহন্তই গীত আৰু কবিতাক জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰি নিৰন্তৰ সাধনাৰে এই দিশত নতুন মাত্ৰা প্ৰদান কৰিছিল। ৰচনাৱলীৰ এই প্ৰথম খণ্ডত কেশৱ মহন্তৰ গীত, কবিতা আৰু ১২ খন সংগীতালেখ্য সন্নিৱিষ্ট কৰা হৈছিল। গ্ৰন্থমেলাৰ আজি তৃতীয় দিনাৰ সবিশেষ জনাইছে আমাৰ সংবাদদাতাই

-বাইট-

oooo

**ঃঃ সমাপ্ত ঃঃ**